**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল প্ৰৱঞ্চনা, চাইবাৰ অপৰাধ আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ পৰা হ'ব পৰা বিপদসমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে কাইলৈ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা বিশেষভাৱে সক্ষম লোকসকলক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব।

৩। উত্তৰ প্ৰদেশ চৰকাৰে প্ৰয়াগৰাজৰ মহাকুম্ভ অনুষ্ঠিত হোৱা অঞ্চলটোক এখন নতুন জিলা হিচাপে ঘোষণা কৰিছে।

৪। মণিপুৰ চৰকাৰে ৰাজ্যখনৰ ৭টা উপত্যকা আৰু দুখন পাৰ্বত্য জিলাকে ধৰি মুঠ ৯ খন জিলাত ইণ্টাৰনেট সেৱা ব্যাহত ৰখাৰ সময়সীমা বৃদ্ধি কৰিছে। **আৰু**

৫। গ্ৰেণ্ডমাষ্টৰ অৰ্জুন এৰিগাইচি ক্লাছিকেল ডবাৰ সন্মানীয় টু থাউজেণ্ড এইট হাণ্ড্ৰেড এল' ৰেটিঙত স্থান লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল প্ৰৱঞ্চনা, চাইবাৰ অপৰাধ আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ পৰা হ'ব পৰা বিপদসমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ভুৱনেশ্বৰত ৫৯ সংখ্যক সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকৰ বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে আৰক্ষীৰ কাম-কাজসমূহ সহজ কৰি তোলাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে কয়, যে ডিজিটেল সুৰক্ষাৰ প্ৰত্যাহ্বান সন্দৰ্ভত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু আলোচনা কৰা হৈছে।

কালি সন্মিলনৰ অন্তিম দিনা দেশৰ কেন্দ্ৰীয়শাসিত অঞ্চল তথা ৰাজ্যসমূহৰ উদ্বিগ্নতাৰ বিভিন্ন সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। সন্মিলনত চাইবাৰ ক্ৰাইম, উপকূলীয় অঞ্চলৰ সুৰক্ষা তথা মাওবাদী সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গৃহ সচিব গোবিন্দ মোহন, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালো সন্মিলনত উপস্থিত থাকে। সন্মিলনত আৰক্ষীৰ জ্যেষ্ঠ বিষয়া তথা বিভিন্ন নিৰাপত্তা সংস্থাৰ মুৰববীসকলৰ সৈতে সন্ত্ৰাসবাদী বিৰোধী ৰণকৌশল, ড্ৰোণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ লেখিয়া শেহতীয়া প্ৰযুক্তিয়ে অনা প্ৰত্যাহ্বানকে ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সঠিক পথ অৱলম্বন কৰা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী তথা প্ৰতিনিধিবৰ্গই আৰক্ষীয়ে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা আন্তঃগাঁথনিমূলক সমস্যা সন্দৰ্ভতো আলোচনা কৰে। বৈঠকৰ অন্তিম দিনা মাদক দ্ৰব্যৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ো আলোচনা কৰা হয়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তিনিদিনীয়া ভুৱনেশ্বৰ ভ্ৰমণ সামৰি কালি সন্ধিয়া দিল্লীলৈ উভতি আহে। ওড়িশাৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰাজ্যপাল ৰঘূবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু কেইবাগৰাকীও বিষয়াই তেওঁক বিদায় সম্ভাষণ জনায়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে কাইলৈ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা বিশেষভাৱে সক্ষম লোকসকলক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত মুঠ ১২ গৰাকী ব্যক্তি আৰু ১১ খন অনুষ্ঠান-প্ৰতিষ্ঠানক বঁটা প্ৰদান কৰা হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে অনুষ্ঠানত দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনিও মুকলি কৰিব।

অমৰ জৈনক এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে সম্পূৰ্ণ দৃষ্টিহীনতা থকা অমৰ জৈন আইন বৃত্তিৰ সৈতে জড়িত।

আনহাতে চলা-ফুৰা কৰাৰ ক্ষেত্ৰত ৭৫ শতাংশ শাৰীৰিক অক্ষমতা থকা প্ৰতীক খণ্ডেলৱালকো এই বছৰৰ সৰ্বশ্ৰেষ্ঠ **দিব্যাংগজন** শাখাত ব্যক্তিগত উৎকৃষ্টতাৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। শ্ৰীখাণ্ডেলৱাল হৈছে **ৰেম্প মাই চিটী**ৰ প্ৰতিষ্ঠাপক।

০০০০০

ভাৰতে প্লাষ্টিক প্ৰদূষণ আৰু বহনক্ষম উন্নয়ন, বিশেষকৈ উন্নয়নশীল অৰ্থনীতিত ইয়াৰ প্ৰভাৱ এই বিষয় দুটাৰ মাজত গুৰুত্বপূৰ্ণ ভাৰসাম্যতাৰ বাবে আহ্বান জনাইছে। দক্ষিণ কোৰিয়াৰ বুশ্বানত অনুষ্ঠিত আন্তঃচৰকাৰী আলোচনা সমিতিৰ পঞ্চম সংস্কৰণৰ অন্তিমখন বৈঠকত ভাৰতে প্লাষ্টিক প্ৰদূষণৰ ভয়াৱহতাৰ কথা দোহাৰে। ভাৰতে কয়, যে এয়া হৈছে এটা কঠিন কাৰ্য, যাৰ বাবে পাৰস্পৰিক বিশ্বাস আৰু বুজাপৰাৰ প্ৰয়োজন। ভাৰতে পলিমাৰৰ উৎপাদন নিয়ন্ত্ৰণ কৰাৰ বাবে যিকোনো ব্যৱস্থাত সমৰ্থন আগবঢ়াবলৈ অপাৰগ বুলি স্পষ্ট কৰি দিয়ে। কাৰণ ইয়াৰ ফলত সদস্য ৰাষ্ট্ৰসমূহৰ বিকাশৰ অধিকাৰত বিশেষভাৱে প্ৰভাৱ পৰিব।

০০০০০

উত্তৰ প্ৰদেশ চৰকাৰে প্ৰয়াগৰাজৰ মহাকুম্ভ অনুষ্ঠিত হোৱা অঞ্চলটোক এখন নতুন জিলা হিচাপে ঘোষণা কৰিছে। নতুনকৈ গঠন হোৱা এই জিলাখনৰ নাম হৈছে মহাকুম্ভ মেলা। সমাগত কুম্ভ মেলাৰ ব্যৱস্থাপনা আৰু প্ৰশাসনীয় দিশসমূহ সুবিধাজনক কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে চলিত বৰ্ষৰ মাঘ মেলাৰ সময়ত এই সিদ্ধান্তৰ উদ্দেশ্যৰ কথা উল্লেখ কৰিছিল। প্ৰতি ১২ বছৰৰ মূৰত এবাৰকৈ আয়োজন কৰা এই মহাকুম্ভ অহা বছৰৰ ১৩ জানুৱাৰীত আৰম্ভ হ'ব আৰু ২৬ ফেব্ৰুৱাৰীত অন্ত পৰিব। ভাৰতীয় সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত মহাকুম্ভই বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

মণিপুৰৰ ননে জিলাৰ খৌপুম আৰক্ষী চকীৰ অন্তৰ্গত লংচাই পাৰ্ট ৱান গাঁৱত কালি পুৱা এন এছ চি এন (আই এম) আৰু জেড ইউ এফ (জে)ৰ মাজত গুলীয়াগুলি সংঘটিত হয়। গাঁওবাসীয়ে জনোৱা অনুসৰি কালি পুৱা গীৰ্জাঘৰত উপাসনাৰ ঠিক পাছতে অঞ্চলটোত গুলীয়াগুলি আৰম্ভ হয়। জিলাখনৰ

নাগৰিক সেৱা সংগঠনসমূহে এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে উগ্ৰপন্থী গোটসমূহক সাধাৰণ নাগৰিকে বসবাস কৰা অঞ্চলসমূহত হিংসাত্মক কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

ইফালে মণিপুৰ চৰকাৰে ৰাজ্যখনৰ ৭টা উপত্যকা আৰু দুখন পাৰ্বত্য জিলাকে ধৰি মুঠ ৯ খন জিলাত ইণ্টাৰনেট সেৱা ব্যাহত ৰখাৰ সময়সীমা বৃদ্ধি কৰিছে। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি এতিয়াও অস্থিৰ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ গৃহ আয়ুক্তই এই জিলাকেইখনত কাইলৈ বিয়লি ৫ বাজি ১৫ মিনিটলৈ ইণ্টাৰনেট সেৱা ব্যাহত ৰখাৰ নিৰ্দেশনা জাৰী কৰিছে। উল্লেখযোগ্য যে মণিপুৰত যোৱা ২৩ নৱেম্বৰৰ পৰা মোবাইল ইণ্টাৰনেট আৰু ডাটা সেৱা সাময়িকভাৱে বন্ধ কৰি ৰখা হৈছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় কৃষ্ণ চেতনা সংঘ, ইস্কনৰ কলকাতা শাখাই আন্তঃৰাষ্ট্ৰীয় শান্তি সংগঠনসমূহে বাংলাদেশৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণ আৰু অত্যাচাৰৰ বিষয়ে মৌনতা অৱলম্বন কৰাৰ অভিযোগ তুলিছে। ইস্কন কলকাতাৰ উপ-সভাপতি তথা মুখপাত্ৰ ৰাধাৰমন দাসে কয়, যে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ সংস্থাসমূহক সহায়ৰ বাবে আহ্বান জনাইছে যদিও এতিয়ালৈকে কোনেও সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। ইস্কনৰ এগৰাকী ভক্তই ভাৰত চৰকাৰক শীঘ্ৰেই এই বিষয়ত হস্তক্ষেপ কৰিবলৈ আৰু বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। দেশখনত যোৱা নিশা ইস্কনৰ আৰু এগৰাকী ভিক্ষুক আটক কৰা হয় বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় ৰে'ল আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগ ৰাজ্য মন্ত্ৰী ৰৱনীত সিং বিট্টুৱে কংগ্ৰেছৰ অধ্যক্ষ আৰু সাংসদসকলক পাঞ্জাৱ কৃষকসকলে ন্যুনতম সমৰ্থন মূল্য লাভ কৰা নকৰা বিষয়া সন্দৰ্ভত চিবিআইৰ অনুসন্ধান দাবী কৰাৰ বাবে আহ্বান জনাইছে। কেণ্টনমেণ্ট ৰে'ল ষ্টেচনৰ পুনৰ বিকাশৰ কাম-কাজ নিৰীক্ষণ কৰাৰ বাবে কালি জলন্ধৰত উপস্থিত হোৱা শ্ৰীবিট্টুৱে কয়, যে কেন্দ্ৰীয় চৰকাৰে ন্যুনতম সমৰ্থন মূল্য হিচাপে পাঞ্জাৱক ইতিমধ্যে ৪৪ হাজাৰ কোটি টকা প্ৰেৰণ কৰিভছে। তেওঁ কংগ্ৰেছক এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী আৰু পাঞ্জাৱৰ ৰাজ্যপালৰ ওচৰত চিবিআইৰ অনুসন্ধান দাবী কৰাৰ বাবে আহ্বান জনায়।

মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে বিশ্বস্তৰৰ সা-সুবিধাৰে সমৃদ্ধ ৰে'ল ষ্টেচনৰ আধুনিক ভৱনসমূহ অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব।

ooooo

ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল-এৰ এখন খেলত ভাৰতে কালি দক্ষিণ কোৰিয়াক ৮-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ অশ্বদ্বীপ সিঙে তিনিটা গল দি হেট্ৰিক কৰাৰ বিপৰীতে অৰিজিৎ সিঙে দুটা গল দিয়ে। গুৰজ্যোৎ সিং, ৰোচন কুজুৰ আৰু ৰোহিতে এটাকৈ গল দিয়ে। আনহাতে কোৰিয়াৰ হৈ টেহিয়ন কিমে এটা গল দিয়ে। এই জয়ৰ সুবাদত ভাৰতে ছেমি ফাইনেলত প্ৰৱেশ কৰে। ছেমি ফাইনেলত কাইলৈ ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

গ্ৰেণ্ডমাষ্টৰ অৰ্জুন এৰিগাইচি ক্লাছিকেল ডবাৰ সন্মানীয় **টু থাউজেণ্ড এইট হাণ্ড্ৰেড এল' ৰেটিঙত** স্থান লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে। এৰিগাইচি হৈছে বৰ্তমান বিশ্বৰ ৪

নম্বৰ ডবা খেলুৱৈ। আন্তঃৰাষ্ট্ৰীয় ডবা সংঘই সামাজিক মাধ্যমত দিয়া এটা পোষ্টত কৈছে যে **ক্লাছিকেল ডবা ৰেটিঙত টু থাউজেণ্ড এইট হাড্ৰেড এল’ বেৰিয়াৰ** ভংগ কৰা এৰিগাইচি হৈছে বিশ্বৰ যোড়শ সংখ্যক খেলুৱৈ।

তেলেংগানাৰ ৱাৰাংগলত জন্মগ্ৰহণ কৰা কৰা এৰিগাইচিয়ে চলিত বছৰৰ ডবা অলিম্পিয়াডতো উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁ ব্যক্তিগত আৰু দলীয় শাখাত সোণৰ পদক অৰ্জন কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ooooo

সমাপ্ত